প্ৰেছ বিজ্ঞপ্তি
২৭ জানুৱাৰী, ২০১৭

**আৰ বি আয়ে হাৰ্ডই আৰবান কো-অপাৰেটিভ বেংক লিমিটেড, উত্তৰ প্ৰদেশক জাৰি কৰা নিৰ্দেশনা সম্প্ৰসাৰিত কৰিছে**

ভাৰতীয় ৰিজাৰ্ভ বেংকে, হাৰ্ডই আৰবান কো-অপাৰেটিভ বেংক লিমিটেড, হাৰ্ডইক জাৰি কৰা নিৰ্দেশনা ৩০ জানুৱাৰী, ২০১৭ৰ পৰা ২৯ জুলাই, ২০১৭লৈ অধিকতৰ ছমাহ পুনৰীক্ষণ সাপেক্ষে সম্প্ৰসাৰিত কৰিছে। বেংকটো ২৯ জুলাই, ২০১৬ৰ পৰা বেংকিং বিনিয়ম আইন, ১৯৪৯ৰ (এএচিএছ) ধাৰা ৩৫কৰ অধীনত জাৰি কৰা মতে নিৰ্দেশনাধীন হৈ আছে। দিনাংক ২৩ জানুৱাৰী, ২০১৭ৰ নিৰ্দেশযোগে তাক ২৯ জুলাই, ২০১৭ পৰ্যন্ত সম্প্ৰসাৰিত কৰা হৈছে। দিনাংক ২৩ জানুৱাৰী, ২০১৭ৰ নিৰ্দেশনাৰ এটা প্ৰতিলিপি ৰাইজে পঢ়ি চাব পৰাকৈ বেংকটোৰ চৌহদত প্ৰদৰ্শিত হৈছে।

ৰিজাৰ্ভ বেংকৰ দ্বাৰা নিৰ্দেশনাটোৰ এই সালসলনিক বেংকটোৰ বিত্তীয় অৱস্থাৰ উন্নতি বা অৱনতি বুলি আপাতঃদৃষ্টিত ধৰি লব নালাগে। পৰিস্থিতিৰ ওপৰত নিৰ্ভৰ কৰি নিৰ্দেশনাটোৰ সালসলনি ঘটোৱাটো ৰিজাৰ্ভ বেংকে বিবেচনা কৰিব পাৰে।

অনিৰূদ্ধ ডি যাধৱ
সহকাৰী পৰিচালক

**প্ৰেছ বিজ্ঞপ্তিঃ ২০১৬-২০১৭/২০২০**